# পৰিৱেশৰ সমস্যা
# (Environmental Issues)

পৰিৱেশ সমস্যাৰ বিষয়ে আলোচনা কৰাৰ লগতে পৰিৱেশ বুলিলেনো কি বুজায়, তাৰ এটা ধাৰণা লোৱা উচিত। পৰিৱেশ বুলিলে আমি প্ৰকৃতিৰ লগত জড়িত আকাশ, বায়ু, পানী, গছ-গছনি, জীৱ-জন্তু, কীট-পতংগ আদিৰ সমষ্টিকো বুজোঁ। এই সকলোবিলাক লগ হৈ প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি হৈছে। প্ৰাকৃতিক পৰিৱেশ কৃত্ৰিম নহয়; ই এক স্বাভাৱিক প্ৰক্ৰিয়া। প্ৰাকৃতিক পৰিৱেশক কেন্দ্ৰ কৰিয়েই বিভিন্ন সময়ত বিভিন্ন দেশত মানৱ সভ্যতাই গা কৰি উঠিছে। প্ৰকৃতিৰ লগত মানৱ জীৱন ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। কিন্তু মানৱ সভ্যতা আগবঢ়াৰ লগে লগে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হৈ পৰিছে। বিশেষকৈ মানুহে বিভিন্ন কাৰণত প্ৰাকৃতিক সম্পদ ধ্বংস কৰাৰ কাৰণে প্ৰাকৃতিক পৰিবেশ বিনষ্ট হোৱাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য নোহোৱা হৈছে।

বৰ্তমান জনসাধাৰণে জীৱনৰ প্ৰতি খোজতে সন্মুখীন হোৱা আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে পৰিৱেশ প্ৰদূষণৰ সমস্যা। বিশ্বৰ জনসাধাৰণে মাটি, পানী, বায়ু, বতৰ, উদ্যোগ, পেলনীয়া জাৱৰ-জোঁথৰ, কল-কাৰখানা, কীটনাশক তথা ৰাসায়নিক পদাৰ্থ উৎপাদন, নগৰীকৰণ আদিৰ পৰা পৰিৱেশ প্ৰদূষণৰ সমস্যা হৈছে।

**পৰিৱেশ প্ৰদূষণৰ সমস্যা ঃ**

**(১) পানী (Water) ঃ** বিভিন্ন কাৰণত পৰিৱেশ প্ৰদূষণৰ সমস্যা উদ্ভৱ হৈছে। পৰিৱেশ প্ৰদূষণৰ এটা প্ৰধান কাৰণ হৈছে পানী। পানীয়ে যেনেকৈ এহাতে মানুহ, জীৱ-জন্তু, উদ্ভিদ আদিক জীৱন দান কৰি আছে, সেইদৰে পানীৰ পৰা আন কিছুমান সমস্যাৰো সন্মুখীন হৈছে। পানীৰ উৎসবিলাকত উদ্যোগবিলাকৰ পেলনীয়া জাৱৰ-জোঁথৰ, পলিথিন বেগ, জীৱ-জন্তুৰ মৰাশ, গৱাখহনীয়া, লেতেৰা বস্তু ধোৱা-পখলা, কীটনাশক দ্ৰব্য তথা বিহ দি মাছ ধৰা আদি কাৰণত পানী প্ৰদূষিত হৈছে আৰু এনে পানী খাই মানুহে ৰোগত আক্ৰান্ত হৈ মৃত্যুক সাৱটি ল'ব লগা হৈছে।

চৰকাৰী এক হিচাপ মতে ভাৰতৰ নদ-নদীৰ শতকৰা ৭০% পানীয়েই প্ৰদূষিত। ভাৰতত পানীৰ কাৰণেই তিনি ভাগৰ দুই অংশ লোক বিভিন্ন ৰোগত প্ৰত্যেক বছৰতে আক্ৰান্ত হৈছে। পানী প্ৰদূষণৰ ফলত মানুহৰ লগতে মাছবিলাকো সংকটৰ সন্মুখীন হৈছে। তদুপৰি বিশ্বৰ কিছুমান ঠাইত পানীৰ অভাৱৰ ফলতো সমস্যাৰ সন্মুখীন হৈছে। কিছুমান ঠাইত খৰালিৰ সময়ত বহু দূৰ-দূৰণিৰ পৰা ৰে'ল, ট্ৰাকেৰে পানী নি ক্ষুধাতুৰ লোকক পানী যোগানৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে।

**(২) মাটি (Soil) ঃ** মাটিৰ কাৰণেও পৰিৱেশ প্ৰদূষিত হৈছে। মাটিয়েই মানুহৰ জীৱন ধাৰণৰ আধাৰ। মাটিৰ ওপৰতে মানুহে বাসস্থান নিৰ্মাণ কৰি বসবাস কৰাৰ লগতে মাটিতে খাদ্য উৎপাদন কৰি জীৱন ধাৰণ কৰিছে। সেইদৰে অন্যান্য জীৱ-জন্তুৱেও মাটিতে বিচৰণ কৰি তাৰ পৰা খাদ্য আহৰণ কৰি জীৱন ধাৰণ কৰিছে। কিন্তু বৰ্ধিত জনসংখ্যাই খাদ্য উৎপাদন,

Scanned with CamScanner

বাসস্থান আদিৰ সমস্যাৰ সৃষ্টি কৰিছে। নগৰ-চহৰবিলাকত পূৰ্বৰ তুলনাত অধিক জন বসতি হোৱাৰ কাৰণে বায়ু প্ৰদূষিত হৈছে। কৃষিৰ উপযোগী মাটিৰ অধিকাংশ পৰিৱেশ প্ৰদূষণৰ কাৰণে উৎপাদনী ক্ষমতা নিম্নগামী হৈছে। হাজাৰ হাজাৰ একৰ মাটি সেচ প্ৰকল্পসমূহ, পানীৰ সোঁত, পাথৰৰ খনন কাৰ্য, তেল উদ্ঘাটন, অন্যান্য খনিজাত পদাৰ্থ উদ্ঘাটন আদিৰ ফলত মাটিৰ পৰিমাণ সংকুচিত হোৱাৰ লগতে ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। নগৰবিলাকত বৃহৎ বৃহৎ অট্টালিকা, কল-কাৰখানা, বাট-পথ, খাল, নৰ্দমা আদি নিৰ্মাণৰ কাৰণে মাটি সংকুচিত হৈছে। নগৰবিলাকত বিভিন্ন নিৰ্মাণ কাৰ্যৰ কাৰণে গছ গছনি, মুকলি ঠাইৰ অভাৱ হৈছে। চৰকাৰে জলবিদ্যুৎ উৎপাদন, বানপানী প্ৰতিৰোধ কৰিবৰ কাৰণে নিৰ্মাণ কৰা বান্ধবিলাকেও মাটিৰ উৰ্বৰতা শক্তি নোহোৱা কৰিছে। মানুহে অধিক শস্য উৎপাদনৰ কাৰণে বিভিন্ন ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰাৰ ফলতো পৰিৱেশ প্ৰদূষিত হৈছে। চৰকাৰী হিচাপ মতে ভাৰতৰ কৃষি উপযোগী শতকৰা ৫০% মাটি পৰিৱেশ প্ৰদূষণৰ ফলত মাটিৰ গুণ হ্ৰাস পাইছে। আমেৰিকা আদি দেশত মাটি প্ৰদূষণমুক্ত কৰিবৰ কাৰণে ৰাসায়নিক সাৰৰ পৰিৱৰ্তে যৌগিক সাৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব দিছে।

**(৩) বনাঞ্চল ধ্বংসকাৰ্য (Deforestation) :** বনাঞ্চল ধ্বংসৰ ফলতো পৰিৱেশ প্ৰদূষিত হৈছে। বনাঞ্চল ধ্বংসৰ কাৰণে প্ৰাকৃতিক ভাৰসাম্য নোহোৱাৰ লগতে পৰিৱেশো প্ৰদূষিত হৈছে। বিশেষকৈ জনসংখ্যা বৃদ্ধি, বাসস্থান, খাদ্য সন্ধান, বিভিন্ন নিৰ্মাণ কাৰ্যৰ কাঠ, বাঁহ, বেত আদিৰ আৱশ্যক হোৱাত বনাঞ্চল ধ্বংস হৈ নিকুণীয়া হ'দ, বৰষুণৰ পৰাও জনসাধাৰণ বঞ্চিত হৈছে। বনাঞ্চল ধ্বংস কাৰ্যই যুগ যুগ ধৰি বনাঞ্চলত বসবাস কৰা লোকৰ উচ্ছেদ হৈছে। জীৱ-জন্তুৰ বিচৰণভূমি সংকুচিত হোৱাত সেই জীৱ-জন্তু মুকলি ঠাইলৈ আহি জনসাধাৰণৰ ক্ষতিসাধন কৰাৰ লগতে কিছুমান জীৱ-জন্তু বিলুপ্ত হৈছে।

**(৪) বায়ু প্ৰদূষণ (Air Pollution) :** আগতে মানুহে বিশুদ্ধ বায়ু সেৱন কৰাৰ সুবিধা পাইছিল। কিন্তু বৰ্তমান মানুহে বিশুদ্ধ বায়ুৰ পৰিৱৰ্তে প্ৰদূষিত বায়ু সেৱন কৰিবলৈ বাধ্য হৈছে। ইয়াৰ ফলত মানুহে নানা বেমাৰ-আজাৰ ভোগ কৰিবলগীয়া হৈছে। বায়ু বিশেষকৈ বিভিন্ন কল-কাৰখানা, গাড়ী-মটৰৰ পৰা নিৰ্গত হোৱা ধোঁৱা, বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা, আগ্নেয়গিৰি উদ্‌গিৰণ, ভূমিকম্প, উৰাজাহাজ আদিৰ পৰা প্ৰদূষিত হৈছে।

**(৫) বতৰৰ পৰিৱৰ্তন (Change of Weather) :** বতৰৰ পৰিৱৰ্তনৰ কাৰণেও পৰিৱেশ প্ৰদূষিত হৈছে। অধিক হাৰত উষ্ণতা বৃদ্ধি হোৱাৰ কাৰণে বতৰৰ পৰিৱৰ্তন হৈছে। ভূমণ্ডলত উষ্ণতা বৃদ্ধিৰ কাৰণে বতৰৰ পৰিৱৰ্তন হৈছে। বিশেষকৈ ভূমণ্ডলত ব্যাপক হাৰত গছ-গছনি কাটি উদ্যোগ, নগৰ, ব্যৱসায়, এলেকা নিৰ্মাণ, গাঁও নিৰ্মাণ কৰাৰ ফলত তাপৰ মাত্ৰা বৃদ্ধি পাইছে। তাপমাত্ৰা বৃদ্ধিৰ ফলত এটা সময়ত পানীৰ নাটনি হোৱাৰ লগতে খাদ্য উৎপাদনো হ্ৰাস পাব। বতৰৰ পৰিৱৰ্তনৰ কাৰণে বৰষুণৰ পৰিমাণো হ্ৰাস পাইছে। উত্তাপ বৃদ্ধিৰ ফলত যিবিলাক তুষাৰ আবৃত নৈ আছে, সেইবিলাকৰো সংকোচন হ'ব। 'গ্ৰীণ হাউছ' গেছেও তাপ বৃদ্ধিত ইন্ধন যোগাইছে। এক সমীক্ষা মতে দ্ৰুত উদ্যোগীকৰণ আৰু বনাঞ্চল সংকুচিত হোৱাৰ কাৰণে এনে গেছৰ পৰিমাণ শতকৰা ৩০%ৰ পৰা ৬০% লৈকে বৃদ্ধি পাইছে।

Scanned with CamScanner

বতৰৰ পৰিৱৰ্তনৰ প্ৰতিক্ৰিয়া ভাৰততো পৰিলক্ষিত হৈছে। বিজ্ঞানীসকলৰ মতে ভাৰতত অহা দুই দশকৰ পিছত তাপমাত্ৰা ৩ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পাব। ইয়াৰ ফলত ভাৰতৰ বহুতো নৈ শুকাই যাব, বহু অঞ্চল খৰাং হ'ব, ঘূৰ্ণীবতাহ হ'ব, খোৱাপানীৰো নাটনি হ'ব। তদুপৰি বতৰ বিজ্ঞানীৰ মতে বৰষুণ অঞ্চলৰ পৰিৱৰ্তন হ'ব। এটা সময়ত মেঘালয়ৰ চেৰাপুঞ্জীত বিশ্বৰ ভিতৰতে বেছি বৰষুণ হৈছিল যদিও এতিয়া তাত বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। দক্ষিণ ভাৰতৰ কিছুমান অঞ্চল মৌচুমীয় অঞ্চল যদিও খৰাংপীড়িত কিছুমান ৰাজ্যৰ তুলনাত তাত বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। বতৰ বিজ্ঞানীসকলৰ মতে উষ্ণতা বৃদ্ধিৰ কাৰণে অহা কেইবছৰমানৰ ভিতৰত ভাৰতৰ প্ৰায়বিলাক গ্লেচিয়াৰ গলি যাব। ইয়াৰ ফলত সমুদ্ৰপাৰত থকা ৰাজ্যবিলাকৰ সমস্যা বৃদ্ধি পাব। বিশেষকৈ গ্লেচিয়াৰ গলি যোৱাৰ কাৰণে সমুদ্ৰপৃষ্ঠ ওপৰলৈ উঠাৰ ফলত সাগৰৰ দাঁতি প্লাৱিত হৈ সমস্যাৰ সৃষ্টি কৰিব।

**(৬) নগৰীকৰণ (Urbanaisation) ঃ** বৰ্তমান বিশ্বৰ বিভিন্ন দেশত বৃহৎ বৃহৎ নগৰ, মহানগৰ প্ৰতিষ্ঠা কৰাৰ ফলতো পৰিৱেশ প্ৰদূষিত হৈছে। নগৰবিলাকৰ ঘন বসতি, বাহিৰৰ পৰা অহা লোকৰ ভিৰ, কল-কাৰখানা স্থাপন, বাসস্থানৰ বৃহৎ অট্টালিকা নিৰ্মাণ, বাট-পথ, খাল, বজাৰ আদিৰ কাৰণে গছ-গছনি কটা, কল-কাৰখানা স্থাপন, বৈজ্ঞানিক গৱেষণা প্ৰতিষ্ঠান স্থাপন, নানা কীটনাশক দ্ৰব্য উৎপাদন, বস্তি এলেকা স্থাপন, অপৰিষ্কাৰ নলা-নৰ্দমা, পানী নিষ্কাশনৰ অসুবিধা, স্বাস্থ্যসন্মত ৰাজহুৱা পাইখানাগাৰৰ অভাৱ, বিশুদ্ধ খোৱাপানীৰ অভাৱ, বিভিন্ন আৱৰ্জনা, অসংখ্য যান-বাহনৰ পৰা দৈনিক নিৰ্গত হোৱা ধোঁৱা, ধূলি, পলিথিনৰ বেগ, কয়লা খনিৰ মুকলি খনন কাৰ্য, ইটাভাটা, চিমেণ্ট কাৰখানা, কাঠৰ মিল, কাগজৰ কল, চেনি কলৰ পেলনীয়া আৱৰ্জনা, নগৰৰ ভিতৰৰ জলাতক ঠাই, গছ-গছনিৰ অভাৱৰ কাৰণে পৰিৱেশ প্ৰদূষিত হৈছে।

নগৰৰ পৰিৱেশ প্ৰদূষণৰ ডাঙৰ সমস্যা হৈছে শব্দ প্ৰদূষণ। নগৰৰ বিভিন্ন গাড়ী, মটৰ চলাচল, কল-কাৰখানাৰ শব্দৰ কাৰণে পৰিৱেশ প্ৰদূষিত হৈছে। ইয়াৰ ফলত মানুহৰ শ্ৰৱণ শক্তিত আঘাত কৰা আন কিছুমান বেমাৰৰ সন্মুখীন হ'ব লগা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা এক সমীক্ষা মতে মানুহে কাণেৰে সহ্য কৰিব পৰা শব্দৰ প্ৰাবল্য ৪৫ ডেচিমেল। কিন্তু ভাৰতত কিছুমান মহানগৰৰ শব্দৰ প্ৰাবল্য ৮৫ৰ পৰা ১৯০ ডেচিমেল হোৱাৰ কাৰণে নানা বেমাৰ-আজাৰৰ সন্মুখীন হ'বলগীয়া হৈছে।

গাড়ী, মটৰৰ পৰা নিৰ্গত হোৱা ধোঁৱাৰ লগতে গেছো মানুহৰ স্বাস্থ্যৰ কাৰণে ক্ষতিকৰ। গেছ নিৰ্গত কাৰ্যই তৎকালেই বায়ুমণ্ডল দূষিত কৰি মানুহৰ শৰীৰত প্ৰৱেশ কৰি মৃত্যুমুখী কৰি তোলে। যোৱা কেইবছৰমানৰ আগতে ভূপালৰ এটা কাৰখানাৰ পৰা নিৰ্গত হোৱা গেছে কেনে ধ্বংসাত্মক কাৰ্য সৃষ্টি কৰিলে সেইটো কাৰো অবিদিত নহয়।

**(৭) কীটনাশক দ্ৰব্য উৎপাদন (Production of Pesticide) ঃ** পৰিৱেশ প্ৰদূষণৰ আন এটা কাৰণ হ'ল যে বহুতো উন্নত আৰু উন্নয়নশীল দেশবিলাকত কীটনাশক দ্ৰব্য উৎপাদনৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰি উৎপাদন বৃদ্ধি কৰিবলৈ চেষ্টা কৰাৰ ফলতো পৰিৱেশ প্ৰদূষিত হৈছে।

**(৮) উদাৰ নীতিৰ প্ৰভাৱ (Effect of Liberal Policy) ঃ** ১৯৯০ চনৰ পৰা প্ৰায়বিলাক

উন্নয়নশীল দেশে উদাৰ নীতি গ্ৰহণ কৰাৰ ফলতো পৰিবেশ প্ৰদূষিত হৈছে। উন্নয়নশীল দেশবিলাকে অধিক বৈদেশিক মুদ্ৰা অৰ্জন কৰাৰ উদ্দেশ্যে নিজ দেশত উৎপাদিত কেঁচামাল ৰপ্তানি কৰাৰ ফলতো পৰিবেশ প্ৰদূষিত হৈছে। তেওঁলোকে কিছুমান বিদেশী এজেন্টৰ খেঁচাত পৰি নিজ দেশৰ বনজাত সম্পদ, মাছ, খনিজাত পদাৰ্থ প্ৰচুৰ পৰিমাণে বিক্ৰী কৰিছে। কিছুমান উন্নয়নশীল দেশে বৈদেশিক ঋণ পৰিশোধ কৰিবৰ কাৰণেও নিজ দেশৰ উৎপাদিত বস্তু, গছ-গছনি কাটি বিক্ৰী কৰিবলৈ লোৱাৰ ফলতো পৰিবেশ প্ৰদূষিত হৈছে।

**(৯) উদ্যোগীকৰণ (Industrialisation) ঃ** ৰাষ্ট্ৰবিলাকে দ্ৰুত উন্নয়ন নীতি গ্ৰহণ কৰি উদ্যোগীকৰণ, নগৰীকৰণ কৰিবলৈ লোৱাৰ ফলতো পৰিবেশ প্ৰদূষিত হৈছে। এনে ব্যৱস্থাৰ ফলত সীমিতসংখ্যক লোক উপকৃত হ'লেও অধিকাংশ লোক এনে সুবিধাৰ পৰা বঞ্চিত হৈছে। উদ্যোগীকৰণ আৰু নগৰীকৰণে ইয়াৰ জনজাতি আৱাসীক নিজ গৃহভূমিৰ পৰা উচ্ছেদ কৰাৰ লগতে তেওঁলোকৰ কৰ্ম সংস্থানো নোহোৱা কৰিছে।

**(১০) প্ৰাকৃতিক সম্পদ উদ্‌ঘাটন (Excavation of Natural Resources) ঃ** প্ৰাকৃতিক সম্পদ অধিক উদ্‌ঘাটনৰ ফলতো পৰিবেশ প্ৰদূষিত হৈছে। ৰাষ্ট্ৰবিলাকে নিজৰ চাহিদা পূৰণ কৰিবলৈ অধিক পৰিমাণে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰিছে যদিও তেওঁলোকে ভৱিষ্যতৰ কাৰণে ইয়াক সংৰক্ষণৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলতো পৰিবেশ প্ৰদূষিত হৈছে। ৰাষ্ট্ৰবিলাকে অধিক পৰিমাণে প্ৰাকৃতিক সম্পদ ক্ষয় কৰাৰ কাৰণে জীৱ-জন্তু, কীট-পতংগ আদিৰ আৱাসভূমি সংকুচিত হৈ প্ৰাকৃতিক ভাৰসাম্য নোহোৱা কৰিছে।

**(১১) প্ৰভাৱশালী লোকৰ ভূমিকা (Role of Influestial Section) ঃ** সমাজৰ প্ৰভাৱশালী লোক আৰু চৰকাৰৰ প্ৰভাৱৰ কাৰণেও পৰিৱেশ প্ৰদূষিত হৈছে। সমাজৰ প্ৰভাৱশালী লোক; যেনে— উদ্যোগপতি, ঠিকাদাৰ, ৰাজনীতিবিদ আদিয়ে মাটি কিনি সেই এলেকাত চহৰ নিৰ্মাণ কৰাৰ কাৰণে কৃষক আৰু জনজাতি লোকসকল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰেও উদ্যোগ আদি প্ৰতিষ্ঠাৰ কাৰণে বনাঞ্চল ধ্বংস কৰি পৰিৱেশ বিনষ্ট কৰাত ইন্ধন যোগাইছে। সেই অনুপাতে জনসাধাৰণেও বনাঞ্চল বেদখল কৰি তাত বসতি স্থাপন কৰিবলৈ লোৱাৰ ফলতো পৰিৱেশ বিনষ্ট হৈছে।

**পৰিৱেশ প্ৰদূষণৰ প্ৰভাৱ (Impact of Environmental Pollution) ঃ**

পৰিৱেশ প্ৰদূষণৰ প্ৰভাৱ বিভিন্ন দিশত পৰিলক্ষিত হয়।

(১) পৰিৱেশ প্ৰদূষণৰ ফলত বানপানী আৰু খৰাং বতৰৰ সমস্যাৰ সৃষ্টি হয়। বানপানী আৰু খৰাং বতৰে জনসাধাৰণৰ বিভিন্ন দিশত দুৰ্যোগ চপাই আনে।

(২) আন এটা দিশতো পৰিবেশ প্ৰদূষণে সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ ফলত বনাঞ্চল ধ্বংস হৈ বনাঞ্চলত বসবাস কৰা জনজাতি লোকৰ উচ্ছেদ হয়। সেই বনাঞ্চলৰ জীৱ-জন্তুবিলাকো খাদ্যবস্তু আৰু বাসস্থানৰ অভাৱৰ ফলত সংকটৰ সন্মুখীন হয়। তদুপৰি জনজাতিৰ লগতে অজনজাতি লোকেও নানা অসুবিধাৰ সন্মুখীন হয়। যিবিলাক অজনজাতি লোক বাঁহ-খৰি আদিৰ ওপৰত নিৰ্ভৰ কৰে তেনে লোকসকলো বনাঞ্চল ধ্বংসৰ ফলত অসুবিধাৰ সন্মুখীন হয়।

Scanned with CamScanner

(৩) পৰিৱেশ প্ৰদূষণে কৃষিজাত সামগ্ৰী উৎপাদনৰ পৰিমাণো হ্ৰাস কৰে। মাটিৰ উৰ্বৰতা নষ্ট হোৱাৰ কাৰণে উৎপাদনৰ পৰিমাণ হ্ৰাস পায়। ইয়াৰ ফলত জনসাধাৰণ তথা চৰকাৰে প্ৰচুৰ পৰিমাণে ৰাসায়নিক সাৰ প্ৰয়োগ কৰি উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰে। ইয়াৰ ফলত উৎপাদন বৃদ্ধি পালেও মাটিৰ উৎপাদন শক্তি ক্ৰমাগতে ক্ষয় হৈ আছে। সেয়েহে আমেৰিকা আদি দেশত কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ পৰিবৰ্তে জৈৱিক সাৰ প্ৰয়োগ কৰাৰ ওপৰতহে প্ৰাধান্য দিছে।

(৪) আন এটা দিশতো পৰিৱেশ প্ৰদূষণৰ প্ৰভাৱ পৰিলক্ষিত হয়। পানী প্ৰদূষিত হোৱাৰ ফলত নানান প্ৰকাৰৰ ৰোগে দেখা দিয়ে। চৰকাৰী এক হিচাপ মতে পানী প্ৰদূষিত হোৱাৰ ফলত ভাৰতৰ ৭০% লোক বিভিন্ন বেমাৰত আক্ৰান্ত হৈছে। অৱশ্যে এনে পানী প্ৰদূষণৰ ফলত ধনী শ্ৰেণী লোক আক্ৰান্ত হোৱাতকৈ দুখীয়া শ্ৰেণীৰ লোকহে বেছি আক্ৰান্ত হোৱা দেখা যায়। তদুপৰি অপুষ্টিকৰ খাদ্য গ্ৰহণৰ ফলতো দুখীয়া শ্ৰেণীৰ সাধাৰণ স্বাস্থ্য বিঘ্নিত হয়।

(৫) পৰিৱেশ বিনষ্ট হোৱাৰ কাৰণে বনৰীয়া জীৱ-জন্তুৰ ওপৰত বেয়া প্ৰভাৱ পৰে। বিশেষকৈ উন্নয়নশীল দেশবিলাকৰ শতকৰা ১০% গছ-গছনি আৰু ২০% জীৱ-জন্তু ক্ষতি হৈছে। ইয়াৰ ফলত বহুতো জীৱ-জন্তু, কীট-পতংগ আদি প্ৰজাতি বিলুপ্ত হৈছে। বনাঞ্চল ধ্বংসৰ ফলত বহুতো আপুৰুগীয়া ঔষধ জাতীয় গছ-গছনি নিশ্চিহ্ন হৈছে। উন্নয়নশীল দেশবিলাকৰ মহিলাসকলেও বনাঞ্চল ধ্বংসৰ ফলত দূৰ-দূৰণিৰ পৰা খোৱা পানী আদি সংগ্ৰহ কৰিবলগীয়া হোৱাত স্বাস্থ্যৰো অৱনতি হৈছে।

**পৰিৱেশ উন্নয়নৰ ব্যৱস্থা (Efforts to Improve Environments) :** একালে পৰিৱেশ বিনষ্ট হ'লেও আনহাতে এই পৰিৱেশৰ কেনেকৈ উন্নতি সাধন কৰিব পাৰি, সেই সম্পৰ্কে বিভিন্ন পৰ্যায়ত ব্যৱস্থা গ্ৰহণ কৰা দেখা গৈছে। আন্তৰ্জাতিক পৰ্যায়ত ৰাষ্ট্ৰসংঘ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত চৰকাৰ আৰু বেচৰকাৰী প্ৰতিষ্ঠানবিলাকে পৰিৱেশ উন্নয়নৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

ৰাষ্ট্ৰসংঘই ১৯৭২ চনত মানৱীয় পৰিৱেশ সম্পৰ্কীয় এখন সন্মিলন ষ্টকহলমত অনুষ্ঠিত কৰিছিল আৰু এই সন্মিলনৰ অনুমোদনাৱলীৰ ভিত্তিত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ সম্পৰ্কীয় কাৰ্যসূচী প্ৰচাৰ কৰি জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নত কৰিবলৈ বিচৰা হৈছে। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ প্ৰধান লক্ষ্য হৈছে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰা, মানৱীয় স্বাস্থ্যৰ কাৰণে উন্নত পৰিৱেশ সৃষ্টি কৰা, বিশুদ্ধ পানী, বতৰ পৰিৱৰ্তন, সাগৰ আৰু উপকূলীয় অঞ্চল, বন সংৰক্ষণ আদি সমস্যাৰ লগত জড়িত।

ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ অন্তৰ্গত বিশ্ব পৰিৱেশ পৰ্যালোচনা পদ্ধতি আৰু বিশ্ব তথ্য কেন্দ্ৰ গঠন কৰি বতৰ, বায়ুমণ্ডল, সাগৰ, সীমা প্ৰদূষণ আৰু স্বাস্থ্য আদি বিষয়ে পৰ্যালোচনাৰ বিধান কৰিছিল।

পৰিৱেশ সংৰক্ষণৰ কাৰণে ১৯৯২ চনতো ৰাষ্ট্ৰসংঘৰ উদ্যোগত ব্ৰাজিলৰ পৰিৱেশ আৰু উন্নয়নৰ সম্পৰ্কত এখন সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনখনত ১০০ খন দেশৰ

Scanned with CamScanner

ৰাষ্ট্ৰপ্ৰধানে অংশগ্ৰহণ কৰিছিল। এই শীৰ্ষ সন্মিলনখনে ২ খন বৈধ কনভেনচন গ্ৰহণ কৰিছিল। ইয়াৰ এখন কনভেনচন বতৰ পৰিবৰ্তন আৰু আনখন কনভেনচন জৈৱবিদ্যাৰ বিভিন্নতা সম্পৰ্কীয়।

**চৰকাৰী প্ৰচেষ্টা (Efforts by Government) ঃ** উন্নয়নশীল দেশবিলাকেও পৰিৱেশ উন্নয়নৰ কাৰণে বিভিন্ন দিশত বহুতো ব্যৱস্থা গ্ৰহণ কৰিছিল। উন্নয়নশীল দেশবিলাকৰ চৰকাৰে পৰিৱেশ সংৰক্ষণৰ কাৰণে বিভিন্ন আইন প্ৰণয়ন কৰি তাক কাৰ্যকৰী কৰিছিল। ভাৰতবৰ্ষত আনকি পৰিৱেশ আৰু বন সম্পৰ্কীয় মন্ত্ৰী দপ্তৰ প্ৰতিষ্ঠা কৰি পৰিৱেশ সংৰক্ষণৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। সেইদৰে ৰাজ্য চৰকাৰবিলাকেও বন পৰিচালনা আৰু সংৰক্ষণ, বন্যপ্ৰাণী সংৰক্ষণ, পানী আৰু বায়ু প্ৰদূষণ আদিৰ বিষয়ে আইন প্ৰণয়ন কৰি পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিছে।

অৱশ্যে বন সংৰক্ষণ সম্পৰ্কীয় প্ৰায়বিলাক কাৰ্যসূচীতে চৰকাৰে কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। বিশেষকৈ জনসাধাৰণক এই কাৰ্যসূচীবিলাক ৰূপায়ণত জড়িত কৰিব নোৱৰাৰ কাৰণে ই কৃতকাৰ্য লাভ কৰিবলৈ সক্ষম হোৱা নাই।

**স্বেচ্ছাসেৱী সংগঠনৰ প্ৰচেষ্টা (Efforts by N. G. O.) ঃ** চৰকাৰৰ লগতে জনসাধাৰণ আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনেও পৰিৱেশ সংৰক্ষণত গুৰুত্ব দি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ জনসাধাৰণ আৰু স্বেচ্ছাসেৱী সংগঠনবিলাকে চৰকাৰক পৰিৱেশ সংৰক্ষণৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱাৰ ফলত চৰকাৰে এই দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। চৰকাৰে গ্ৰহণ কৰা যিবিলাক প্ৰজেক্টৰ পৰা তেওঁলোকে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হ'ব বুলি বিবেচনা কৰিছে, সেইবিলাক কাৰ্যসূচী ৰূপায়ণ কৰাত চৰকাৰৰ ওপৰত বাধা আৰোপ কৰিছে। তেওঁলোকে বিক্ষোভ প্ৰদৰ্শন, ধৰ্ণা আদি কাৰ্যসূচীৰ যোগেদি চৰকাৰৰ এনে কাৰ্যসূচীৰ প্ৰতিবাদ জনাইছে। জনসাধাৰণৰ প্ৰতিবাদ কাৰ্যসূচীৰ কাৰণে ভাৰত চৰকাৰে ৰূপায়ণ কৰিবলৈ লোৱা কেইবাটাও বান্ধৰ কাম বন্ধ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে।

উপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে পৰিৱেশ সংৰক্ষণৰ সম্পৰ্কত জনসাধাৰণ, চৰকাৰ আৰু আন্তৰ্জাতিক সংগঠনবিলাক অতি সচেতন হৈছে আৰু বিভিন্ন সংগঠনৰ এনে প্ৰচেষ্টা অব্যাহত থাকিলে অদূৰ ভৱিষ্যতে জনসাধাৰণে এখন প্ৰদূষণমুক্ত পৃথিৱীত বাস কৰিব পাৰিব।

Scanned with CamScanner